ধেমালি আৰম্ভ কৰি দিলো। গাড়ীৰ পিচতে বৰষুণ পৰিছিল। বহুত দুঘণ্টামানৰ পিচত ভাল কৰিলে যদিও, তেতিয়া সন্ধিয়াৰ ৭-৩০ বজা। আমাক আবেলিৰ চাহ আৰু জলপান দিলে। ৰাতি ৮ মান বজাত চাপাতি আৰু মাংস খাই সোমাই পৰিলো Sleeping বেগৰ ভিতৰত। পুনৰ কিমান সময়লৈ গল্প চলিছিল কবই নোৱাৰিলো। ৰাতিপুৱা শুই উঠি এটা আচৰিত দৃশ্য দেখিবলৈ পালো, আমাৰ চাৰিওফালে এক ডেৰ ইঞ্চিৰ শুকান বৰফ। গোটেই পথাৰখন আৰু ঘাঁহনিবোৰ বৰফে ঢাকি ঘাই আছিল। পাইখানা কৰিবলৈ গৈ পানী বিচাৰি দেখোঁ কালি গধূলিৰ নৈখন নাই। ওপৰত বৰফ মাৰি নৈৰ পানী টান হৈ আছে। মই আন ল'ৰাক দেখি সেইদিনা কাগজেই ব্যৱহাৰ কৰিলো। কিন্তু আমাৰ স্বভাৱ মতে থাকিব পৰা নগ'ল, গোটেই দিনটো লেতেৰা-লেতেৰা ভাবেই কটালো আবেলিৰ ৩ বজালৈকে। পিচদিনা মই পানী নি তম্বুৰ ভিতৰত ৰাখিছিলো। কিন্তু পৰা ই গোট মাৰি বৰফ হৈ আছে। মই উপায়হীন হৈ ওপৰৰ টান চামনি ভাঙি তলৰ পানী উলিয়াই ব্যৱহাৰ কৰিছিলো। এই সকলো বিলাক মোৰ বাবে নতুন আৰু আচৰিত অভিজ্ঞতা আছিল। Director মহোদয়ে কোৱা 'লেতেৰা' শব্দটো বাৰে বাৰে উচ্চাৰণ কৰিছিলো।

বৰফত থকা কেইদিন আমাৰ প্ৰশিক্ষণৰ ভিতৰত আছিল G!aciar Climbing, Ice Climbing, Ice Repling, Step Cutting, Craves Rescue, Anchor আৰু Piton ৰ সহায়েৰে আৰোহণ আৰু অৱৰোহণ আদি। তাৰ বাহিৰেও Theory Class ৰ ভিতৰত আছিল পৰ্ব্বত আৰোহণৰ বিপদ [ Mountainering Hazards ] বৰফখহন [ Avalanche ] আৰু শিবিৰ সংস্থাপন [ Camp side ] আদি।

আমি যেতিয়া পৰ্ব্বতাৰোহণৰ সাজ পোছাক আৰু সহকাৰী উপযোগী বস্তুবোৰ লৈ এটা দীঘলীয়া শাৰীৰে যাওঁ, তেতিয়া আমাৰ মন প্ৰাণ সকলোৰে আনন্দত নাচি উঠিছিল। আৰু দেখিবলৈ কিমান ভাল লাগিছিল তাক কোৱা টান। আমি মাজ ঠাই পোৱাত আমাক Crampon অৰ্থাৎ জোতাৰ তলত লগোৱা গজালৰ চকনীখন লগাই লবলৈ কলে। আমি সেই যোৰ ভৰিত পিন্ধি লোৱাত বহুতো বল আৰু খোজ কাঢ়িবলৈ সুবিধা পাইছিলো। আমাৰ কাণ, মূৰ ঢাকি টুপী, চকুত ক'লা চচমা, হাতত বৰফ কুঠাৰ, কান্ধত ৰচি আৰু 'Piton', কাষত পানীৰ বটল, কেমেৰা আৰু দূৰবীণ আদি লৈ যোৱা দৃশ্যটো সঁচাকৈয়ে মনোৰম ও হৃদয়গ্ৰাহী।

বৰফত প্ৰথমবাৰৰ বাবে আমাক দ'ম হৈ থকা খহন বৰফ [ Packed Avalanche ] বগাবলৈ শিকালে। তাৰ পিছত আমাক ওখ ঠিয় বৰফৰ ওপৰলৈ ভৰিৰ খোজ কাটি কাটি উঠিবলৈ শিকালে। এই ভৰিৰ খোজ কটাৰ কিছুমান নিৰ্দ্দিষ্ট নিয়মো আছে। ঠিয় ৬০, ৭০ ফুট ওপৰলৈ ভৰিৰ খোজ কাটি কাটি উঠি যোৱা আৰু সেই খোজেৰে নামি অহা প্ৰণালীটো ইমান ভয় লগা তাক সেই সময়তহে বুজা যায়। অৱশ্যে তেতিয়া আমাৰ কঁকালত ৰচি লগোৱা আছিল।

বৰফ আৰোহণ [ Ice Climbing ] আৰু অৱৰোহণ [ Repling ] ৰ নিয়ম বিলাক আমাক

দেখুৱাই দিয়াত আমি বেচ সহজ পাইছিলো আৰু খুব স্ফূৰ্তিও লাগিছিল। উঠা আৰু নমাৰ নিয়ম বিলাকো প্ৰায় শিলত উঠা-নমাৰ দৰে— যেনে কান্ধৰে অৱৰোহণ (Shoulder Repling) পেটৰ অৱৰোহণ (Stomach Repling) কাষ অৱৰোহণ (Side Repling) ইত্যাদি ইত্যাদি। ইয়াৰ বাহিৰেও আমাক 'Anchor' ৰ সহায়ত উঠা নমা কৰা হৈছিল।

Craves rescue ৰ অৰ্থ হ'ল— যেতিয়া আৰোহণকাৰী হঠাৎ বৰফৰ ফাঁক গাঁতত সোমাই পৰে; তেওঁক কেনেকৈ উদ্ধাৰ কৰিব পাৰি তাৰে নিয়ম। ই বেচ কষ্টকৰ ও ভয়লগা বুলি ধৰিব পাৰি। কাৰণ বৰফৰ গাঁতত সোমোৱা আৰু ওলাই অহা কথাটো বৰ ভয়ানক।

Theory class mountaineering Hazards বা "বৰফত হোৱা বিপদৰ বিষয়ে আমাক বুজোৱা হৈছে। এইবিলাকৰ ভিতৰত প্ৰধানকৈ Avalanche, Landslides, cornice Animal Hazards Health. Hazards. frostbite. Snow blindness ইত্যাদি ইত্যাদি। ইয়াৰ কাৰণ আৰু লক্ষণ বিলাকো আমাক বুজোৱা হৈছিল।

এই বিলাক কৰি উঠাৰ পিচত আমাক শেষৰ দিনা পৰীক্ষা গণিবলৈ লৈ যোৱা হৈছিল। আমি বহু কষ্টৰে ১৭৮৫৩ ফুট উচ্চতাৰ 'লাডাখী শিখৰ' বগাবলৈ গলো। কিন্তু দুৰ্ভাগ্য বশতঃ কেইজনমান ল'ৰাৰ মূৰৰ বিষ, বমি বমি ভাব আৰু অন্যান্য ভাগৰ লগাৰ বাবে প্ৰায় ১৭০০০ ফুট ওপৰত থকা কেম্প নম্বৰ ২ৰ পৰা আমাক ঘূৰাই অনা হ'ল। অৱশ্যে মই আৰু ৰবীন্দ্ৰ আমি আৰু যোৱাৰ আশাত আছিলো। তাৰ পিচদিনা আমাক জিৰণি দি ১৭ অক্টোবৰত 'ব্যাস কোন্দ' এৰি 'ঢ'লান নলা' বা 'পঞ্চালি' নামৰ ঠাইলৈ উভতো। তাত দুদিন কটোৱা অৱস্থাত আমাক নৈ পাৰ হোৱা (River crossing) প্ৰণালীও শিকোৱা আদি আমি নিজেই কৰিব লগা হয়। এই সকলো বিলাক শিকাই আমাৰ বাবে আমোদ আৰু কষ্টকৰ আছিল।

১৯ অক্টোবৰ ৰাতিপুৱা ৯মান বজাত আমি 'ঢ'লান নলা' এৰি মনালী ইনষ্টিটিউটৰ অভিমুখে খোজ লওঁ সেই একেদৰেই ৩৫ কে জি, ওজন পিঠিত লৈ। আমি আবেলি আহি ইনষ্টিটিউট পাওঁহি।

২০ তাৰিখে আমাৰ Test পৰীক্ষা হয়। পৰীক্ষক Director আৰু Chief Instructorৰে। পৰীক্ষাত আমাক শিকোৱা কথা বিলাকে সোধে। কিন্তু মোক একো সোধা নাছিল। মাত্ৰ সুধিছিল মযেই অসমৰ পৰা অহা নেকি ? কিন্তু পিচৰ দিনা অৰ্থাৎ ২১ অক্টোবৰৰ গ্ৰেজুৱেচন দিৱসত সকলোৰে আগত যেতিয়া মোৰ প্ৰশংসা কৰে আৰু সৰ্বোচ্চ পাৰদৰ্শিতাৰে 'A' grade লাভ কৰা বুলি কয়, মই বেচ আনন্দ পাইছিলো। আৰু ইমানবোৰ কষ্টৰ সাৰ্থকতা লাভ কৰা যেন লাগিল। বিশেষকৈ ভাল লাগিল মোৰ বন্ধু কেইজনে যেতিয়া ডাঙিলৈ জয়ধ্বনিৰে ঠাইডোখৰ আনন্দমুখৰ কৰি তুলিছিল। সেইদিনা ৰাতিলৈ আমাৰ বিৰাট ভোজ আৰু পৰ্বত আৰোহণৰ Documentary দেখুৱা হৈছিল, বৰ্চা বচা বহু কেইজন অতিথিকো নিমন্ত্ৰণ কৰা হৈছিল। আৰু বিশেষকৈ ভাল লাগিল বম্বেৰ চিত্ৰ তাৰকা কেই গৰাকী মানক লগ পায়। মোৰ ৰাতি আমাৰ অতি আনন্দৰ মাজতো বেজাৰৰ ক্ষণ আহি পৰিছিল, যিহেতু তাৰ পিচদিনা

সকলো দিহাদিহি যাবগৈ বুলি।

বিদায় যে অতি মৰ্ম্মস্পৰ্শিক তাক ভুক্তভোগী জনেহে জানিব। এই কথাফাঁকি হয়তো যিজনে এবাৰ পৰ্বত ৰগোৱাৰ উদ্দেশ্যে আহিছে বা আহিব তেওঁলোকে উপলব্ধি কৰাৰ বাহিৰে আন সকলক বুজোৱা হয়তো এক প্ৰকাৰ টানেই।

আজিও মই উপলব্ধি কৰো মনালিৰ জীৱন আৰু সেই শুধ বগা বৰফ শিখৰ লৈ। তেওঁলোকে যেন আমাৰ অনুভৱ আজিও কৰি আছে। মানুহৰ মৰম যেন সিহঁতেও বিচাৰে।

# কবিতা

## বন্যা

শ্ৰীডালিম দাস ।
দ্বিতীয় বাৰ্ষিক, (বিজ্ঞান)

স্নিগ্ধশ্যামা ৰূপহীৰ কলকণ্ঠেৰে,
'কথক' নৃত্যৰ ভঙ্গিৰে,
স্তূপীকৃত শিলাৰ হেজাৰ চুম্বনক
উপেক্ষা কৰি
তাই লৰবিয়েই থাকিল ।
কেঁচুৱাৰ কান্দোনৰ দৰে ঝিক্‌ঝিক্
আৰু ক্ৰোধান্বিত বনৰজাৰ দৰে
হু হু বৰ্ষাৰ হেজাৰ শব্দৰ
আমনিত তাই ক্ৰোধান্বিত হ'ল ।

কালনাগিনীৰ ৰূপ ধৰি
তাই দুগুণ উছাহেৰে আগুৱাই গ'ল;
কাল নাগিনীৰ কৰাল গ্ৰাসত পৰি
সোণালী-দলিচাবোৰ ক্ৰন্দনৰত হ'ল;
জলধিৰ ৰূপ ধৰি—

ক্রুঁৰ হাঁহিৰে তাই আহ্বান জনালে,
তাইৰ কোলালৈ প্ৰকৃতিৰ সন্তানবোৰক;
ভয়ত কিছুমানে আগবাঢ়িল,
হয়তোবা চিৰদিনলৈ ।
লাহে লাহে বেজ-জ্ঞানী নোহোৱাকৈয়ে
এদিন তাই ভাল হৈ গ'ল ;
বোকাময় পলসত সিঁচি থৈ বীজ,
মহামাৰীৰ ।

যিয়েই জনালে মাথো পুনৰ্ব্বাৰ
মৃত্যুৰ আহ্বান—হেজাৰ প্ৰাণীৰ ।
লয়লাস নৃত্যেৰে আৰু ষোড়শী গাভৰুৰ গাম্ভীর্য্যভাৱে,
ধীৰপ্ৰবাহিনীৰূপে আকৌ তাই বৈয়েই থাকিল ।
এনেকৈয়ে তাই আহিছিল,
আৰু গ'ল ।

# প্র তী ক্ষা

শ্রীপ্ৰবীণ মহন্ত
তৃতীয় বাৰ্ষিক, বিজ্ঞান।

তোমাৰ কপালত
আঁকি দিয়া
ফোঁটটিৰ তলত
লুকাই আছিল
এটা অন্তহীন
নিস্তব্ধ বাসনা।

—তুমি হাঁহিছিলা
এটা নিচেই
নগণ্য ধেমালি বুলি
আঁতৰি গৈছিলা।

সেন্দুৰীয়া ফোঁটটো
এটা উত্তপ্ত সূৰ্য্য হৈ
মোৰ চকু পুৰিছিল,
শিৰৰ সেন্দুৰখিনিয়ে
মোৰো শিৰ
তপত কৰিছিল।

অদৃশ্য ফোটটো
আজি এটোপা তেজ হ'ল।
তেজটোপা তোমাৰ শিৰেৰে
প্ৰবাহিত হৈ
কলিজাৰ ধমনিত
জোঁৱাৰ তুলিলে।

এতিয়া মই ওলমি আছো
এটা অচিন কক্ষত
সেই জোঁৱাৰ চাবলৈ
(যাৰ) ওপৰত বহু সংখ্যা
তলত বহু শূন্য।

# ।। হে বিপ্লব, তুমি আহিবা ।।

শ্রীললিত নাথ
২য় বাৰ্ষিক, বিজ্ঞান।

হে বিপ্লব !
তুমি আহিবা
ধুমুহা ৰূপেৰে
তীব্ৰ গতি লই—
সমাজৰ বিষবৃক্ষ
উভালি পেলাই—
নতুনৰ সঁহাৰি দিবলে' ;
তুমি আহিবা—
প্লাৱন ৰূপেৰে
শত-কোটি ঢৌ লই—
এই সমাজৰ
যত আবৰ্জনা,
যত অলাগতীয়াল সৃষ্টি
ভাঙিচিঙি চুৰমাৰ কৰি
উটুৱাই নিবলে'।

হে বিপ্লব !
তুমি আহিবা !
তুমি আহিবা—
যুগে যুগে,
জীৱনে জীৱনে—
পুৰণিক মোহাৰি পেলাই
(তাত) নতুনৰ বীজ সিঁচিবলে'।

# এটি নতুন যাত্ৰা

শ্ৰীভূপেন্দ্ৰ বল্লভ বৰ্মণ
তৃতীয় বাৰ্ষিক, (বিজ্ঞান)

যাৰ কথা মই শুনা নাই
তাৰ কথা ভাবিলে জানো
মোৰ লাভ হব।
তথাপি মই যেন
অনুভৱ কৰিছো মই
যেন ডুৰ্ব্বাৰ।
আমাৰ প্ৰতি ৰক্তবিন্দুবোৰ
তোমাৰ উছাহেৰে গঢ়া।
হয়তো আমাৰ জন্মবোৰ
কাৰোবাৰ বাবে অভিশাপ।
কিন্তু প্ৰতি টোপা নিয়ৰ কণাতে
আকৌ জন্মিব শত—সহস্ৰ
অভিমন্যু। যাৰ পথ হব
কৌৰবৰ দৰ্প খৰ্ব্ব কৰা।
মোৰ মাতৃয়ে কোনো দিনে
ভবা নাছিল, যে তেওঁৰ প্ৰতিটো
পুত্ৰই হব নতুন জগতৰ
সৰ্ব্বহাৰা পথিক।
তথাপিতো আই কামনা কৰে
আকৌ জন্মক এটি পুত্ৰ সন্তান
যাৰ জন্মৰ লগে লগে হব,
অমাৱস্যা নিঃশেষ।
আৰু আগমন হব নতুন দিনৰ
নতুন সূৰ্য্যৰ ৰাঙেৰে।
আৰম্ভ হব এটা নতুন যাত্ৰা।
যি যাত্ৰা হব অনন্ত যাত্ৰা
আৰু হব পুৰণি নিঃশেষ।

# মোৰ ভাল লাগে

শ্ৰীযোগেন চন্দ্ৰ কলিতা
২য় বাৰ্ষিক, (কলা)

মোৰ ভাল লাগে
জীৱন নদীৰ দাঁতিত গজি উঠা
কহুৱা বন;
আৰু তাৰ সেউজী নৃত্যৰতা অপেশ্বৰীৰ
মলয়াৰ বুলনিত
নাচি উঠা অঙ্গ কঁপনি।

মোৰ ভাল লাগে
নিস্তব্ধতা ভেদ কৰি, সময়ৰ গতিত
তোঁ তোঁ কৈ উটি অহা
এজাক বতাহ;
আৰু তাৰ সোঁতত ভাহি অহা
জীৱনৰ কৰুণ কাহিনীৰ
শেষ নিশ্বাস।

মোৰ ভাল লাগে
যুগে যুগে নিয়া
সভ্যতাৰ সাক্ষী ভূমি;
নিয়ন আলোকে ৰঙীন কৰা
এখন নতুন পৃথিৱী।

# —মনৰ গতি—

—চন্দ্ৰ দাস
দ্বিতীয় বাৰ্ষিক, (কলা)

কেতিয়াবা—
মনৰ আনন্দত মোৰ
বুকু খন ভৰি থাকে,
কেতিয়াবা—
মনৰ চিন্তাবোৰ মোৰ
ওৰে নিশা সাৰে থাকে।
কেতিয়াবা—
মনৰ দৃষ্টিয়ে মোৰ
আকাশ খন চুই আছে,
কেতিয়াবা—
মনটো বাওনাহৈ
নিজে নিজে হাঁহে।

কেতিয়াবা—
কল্পনাৰ সোতটো
উটি যায় বহুদূৰ,
কেতিয়াবা—
পুৰণি অতীতে মোৰ
হিয়া খন কৰে জুৰ।
কেতিয়াবা—
মৰতত সৰগ ৰচি
মনটো ভাল লাগে
গাটোও ৰাই জাই কৰে,
কেতিয়াবা—
তিক্ততাত মনটো
কোচ খাই যায়
টানি ধৰি এৰি দিয়া
ৰবৰৰ দৰে॥

# স্বাৰ্থ লোভক

শ্ৰীদুৰ্গা চন্দ্ৰ হাজৰিকা
১ম বাৰ্ষিক, (কলা)

[ স্বৰ্গীয় শৈলধৰ ৰাজখোৱা দেৱৰ "পাষাণ প্ৰতিমা"
নামৰ কবিতা টোৰ ছাঁ লৈ............ ]

উঠাহে মৰমী, উঠাহে সুন্দৰী, উঠা দেৱী মোৰ এঙামুৰি দি ;
ঘড়ীৰ কাটা আঠত লাগিল আৰু কত কাল ভেম ধৰি থাকিবা পৰি ?
ত্ৰিশটা বছৰ মাৰাৰ ঘৰত
দিন কটাইছিলা কত যে দুখত—
হা-হুতাহকে লগৰীয়া কৰি, আছিলা তুমি চকুলো টুকি ;
তোমাৰ দুখত দুখী হৈ মই, আনিলো তোমাক নিজৰ কৰি — ,
লেপখন আতৰাই উঠাহে লক্ষী, মাতিছো তোমাক অনুৰোধ কৰি ;
তোমাৰ পৰশে এই ঘৰখন, উঠোৱা আকৌ সঁজীৱ কৰি ।
মনৰ দুখত সো মইনাই বহিছে পঢ়াত নবহে মন—
বেয়াগত খোৱা নাৰিকলৰ লাড়ু লৈ, গৈছে তাৰ লুভীয়া চকু ;
এটা এটাকৈ সকলোটি খালে, নেকান্দিবা জানো ভুকুৱাই বুকু ?
কাকনো দুষিম, লাড়ু-পিঠাৰ গোন্ধত !
সকতে জানো মৰো পৰা নাই পাকত ।

উঠাহে গৃহ-লক্ষ্মী হাঁহি এটি মাৰি, পাহৰি সকলো কাজিয়াৰ কথা,
কাবৌটি কৰিছো সকলো কথা, থাকক ডুয়োৰে মনত গঠা ।

মিছেচ বৰুৱাক দেখি তুমিও খুজিলা—
মর্ডাণ যুগৰ 'পখৰা মেখেলা'
পেট ওলোৱা, পিঠি ওলোৱা দেখি
উঠিল গা তোমাৰো হবলা !

নিজকে নিজে মই বৰ ডুখীত
পোৰাব নোৱাৰি তোমাৰ দাবী ।
অফিচৰ পৰা খোজ ললো মই, কিনিবলৈ বুলি তোমাৰ মেখেলা ;
কি কম মৰমী মুৰ গৰম হল, দেখি বজাৰৰ কৃত্রিম লীলা ।

আমাৰ দৰে ডেৰশ টকাৰ কৰ্ম্মচাৰীয়ে
নোৱাৰে মিলাব খোজ আজিৰ সমাজত ;
তাকেই মনতে ঠিৰাং কৰি—
উলটিলো মই ঘৰলৈ বুলি ।

উঠাহে দেবী অভিমান এৰি, ডুখীয়া স্বামীক নিৰাশ নকৰি,
চাওতে চাওঁতে ন বাজিল, অফিচ যাবলৈ মোক নকৰা দেৰি ।
যতনাই থৈছো টেবুলত পানী, লোৱাহি 'ফৰহানচ' পলম নকৰি ;
'ৰেডী' হৈ আছে চা-ৰুটী, কৰাহি 'ব্ৰেকফাষ্ট' টেবুলত বহি— ।

❋



# মিচেছ কল্পনা দৈমাৰী



শ্ৰীহৰেশ্বৰ বড়ো
দ্বিতীয় বাৰ্ষিক, বিজ্ঞান।

"হাঃ হাঃ হাঃ! মই হেনো মোৰ আত্মজীৱনী লিখিব লাগে! মোৰ জীৱনৰ ঘটনাবোৰক লৈ। কি ৰহস্য আছে মোৰ জীৱনত যে মই সেইবোৰ লিখিব লাগে? তথাপি ডাক্তৰে মোক বাৰে বাৰে কৈছে 'তোমাৰ জীৱনৰ ঘটনাবোৰক লৈ লিখাচোন; সেইবোৰ মানুহৰ কামত লাগিব, লগতে তোমাৰো ভাল লাগিব।' কি ঘটনা লুকাই আছে মোৰ জীৱনত যে মই সেইবোৰ লিখিব লাগে! মোৰ জীৱনীও হেনো মানুহৰ কামত লাগিব! হাঃ হাঃ হাঃ!"

এয়া মানসিক ৰোগগ্ৰস্ত ৰোগী শ্ৰীমতী কল্পনা দৈমাৰীৰ এটি অট্টহাঁহি। যাক নেদেখিলে বা নুশুনিলে বৰ্ণনা কৰিব নোৱাৰি। তথাপি ডাক্তৰ অচিন ৰয় চৌধাৰীয়ে বাৰে বাৰে আমনি কৰিছে কল্পনাক তাইৰ জীৱনৰ ঘটনাবোৰ লিখিবলৈ। তাইৰ জীৱনত সংঘটিত হোৱা যি কোনো ঘটনা। কিন্তু কল্পনাই ডাক্তৰৰ অনুৰোধ অট্টহাঁহিৰে উৰুৱাই দিছে। ডাক্তৰে বাৰে বাৰে অনুৰোধ কৰিছে আৰু কল্পনাই বাৰে বাৰে হাঁহি উৰুৱাই দিছে। বেছিকৈ আমনি কৰিলে কান্দিছে অথবা গালি দিছে তথাপি ডাক্তৰে এৰি দিয়া নাই। সেয়ে কল্পনাই এদিন বাধ্য হৈছিল তাইৰ জীৱনৰ ঘটনাবোৰ লিখিবলৈ আৰু সেই লেখনিৰ মাজেৰে প্ৰকাশ পাইছিল তাইৰ অন্তৰত পুঞ্জীভূত হৈ থকা অব্যক্ত

যেদিনা মাত্ৰ এনিশাৰ ডাক্তৰ চৌধাৰীলৈ লিখি থৈ যোৱা ডায়েৰীত আৰু এয়া কল্পনা দৈমাৰীৰ ডায়েৰী—

"ডাক্তৰ শ্ৰীযুত ..........অ! মই আপোনাৰ নামটো পাহৰিলোৱেই। আপুনি মোক এই কেইদিন আমনি কৰিবলৈ অহা নাই কাৰণে বোধহয় আপোনাৰ নামটো পাহৰিলোঁ। এতিয়া বাৰু 'ডাক্তৰ' বুলিয়ে সম্বোধন কৰিলোঁ।। বেয়া নেপাব। পিচত এদিন চিনাকি হম বাৰু।

ডাক্তৰ! আপোনাৰ অনুৰোধ আজি মই ৰক্ষা কৰিম। আপোনাক আৰু মই আমনি নকৰো। এয়া মই মোৰ বিগত দিনৰ কথাবোৰ লিখিবলৈ বহিছোঁ।

মোৰ জন্ম হয় যোৰহাটৰ বিখ্যাত বৰুৱা পৰিয়ালত। তেতিয়া মোৰ দেউতা কামৰূপ জিলাৰ অন্তৰ্গত লোহাৰঘাট ফৰেষ্ট অফিচৰ ৰেন্‌জাৰ। যেতিয়া মই এবছৰৰ ডেওনা পাৰ হলো তেতিয়া মাৰ সৈতে ময়ো পালোহি লোহাৰ-ঘাট ফৰেষ্ট অফিচ। এই লোহাৰঘাট ফৰেষ্ট অফিচত আমি একেৰাহে বহু বছৰ কটালো আৰু মই এই কাল ছোৱাৰ ভিতৰতে যৌৱনৰ দুৱাৰ দলিত ভৰি দিলোঁ। এই কেই বছৰ যে কি দৰে কটালো সেইটো ভাষাৰে বৰ্ণনা কৰিব নোৱাৰি। এই বছৰ কেইটা যেন মোৰ জীৱনত কেইটামান দিনহে। শৈশৱৰ পৰা ডাঙৰ হলো এই অঞ্চলত থাকিয়ে। অফিচৰ নানা লৰা-ছোৱালীৰ লগত খেলি-ধুলি কটালো। লোহাৰঘাটৰ চাহ বাগানৰ সৌন্দৰ্য্য উপভোগ কৰিলোঁ। আমি প্ৰায়ে দেউতাক লগত লৈ ৰবিবাৰে ৰবিবাৰে চাহবাগানলৈ ফুৰিবলৈ যাওঁ। বন বিভাগৰ বিষয়া বুলি জানিব পাৰি বাগানৰ মালিকে আমাক বৰ মৰম কৰে আৰু বাগানৰ ইটো সিটো দেখুৱাই ফুৰে। কেনেকৈ চাহপাতবোৰ চিঙিব লাগে, সেইবোৰ কেনেকৈ শুকাব লাগে আৰু সেইবোৰ কেনেকৈ কলঘৰত নিশুৰি কৰা হয় ইত্যাদি এই আটাইবোৰ তেখেতে আমাক সুন্দৰ ভাবে বুজাই দিয়ে। আৰু আহিবৰ সময়ত তেখেতৰ ড্ৰয়িংৰুমত চাহ মেলৰ আয়োজন কৰা হয়। কেতিয়াবা আমি কলঘৰলৈ নগৈ চাহবাগানৰ মাজে মাজে থকা সৰু সৰু বাটেৰে চাহগছৰ পাতবোৰ দায়া হাতে চুই চুই ঘূৰি ফুৰো। আমি ইটো খোটালীৰ পৰা সিটো খোটালীলৈ যাওঁ। যেতিয়া চাহ পাতৰ কেঁচা গোন্ধ এটা লৈ বতাহজাক বৈ আহি আমাৰ নাকত লাগেহি তেতিয়া আমাৰ বৰ আনন্দ লাগে। ইয়াৰ উপৰিও পৰাল্লি মাহত মাজে সময়ে চানডুবি বিল চাবলৈ যাওঁ।! লোহাৰঘাটৰ পৰা চানডুবিলৈ মাত্ৰ দশমাইলৰ বাট। তেতিয়া মই লোহাৰঘাট হাইস্কুল নৱম মান শ্ৰেণীৰ ছাত্ৰী। এদিন ওপৰৱালাৰ পৰা আদেশ আহিল যে দেউতা লোহাৰঘাটৰ পৰা কুলসী ফৰেষ্ট অফিচলৈ যাব লাগে। আমি লোহাৰঘাট এৰি কুলসী ফৰেষ্ট অফিচ পালোঁ। আহিবৰ সময়ত মোৰ বৰ বেয়া লাগিল। তথাপি আমি ঠাই এৰি যাবলৈ বাধ্য কাৰণ দেউতাৰ যত কাম আমাৰো তাতেই কাম।

কুলসী নদীৰ নাম অনুসৰি এই ঠাইখনক সাধাৰণতে 'কুলসী' বোলা হয়। এই কুলসী নদীৰ পাৰতে আছে কুলসীৰ ফৰেষ্ট অফিচ ঘৰকেইটা। আমাক থকা খোৱাৰ কাৰণে এটি ডাঙৰ ফৰেষ্ট বাংলো আৰু এটি ৰান্ধনী ঘৰ দিছে। যি দিনাখন প্ৰথম কুলসীলৈ আহিলোঁ সেইদিনা গধূলি নাম প্ৰসঙ্গ কৰা হল। আৰু অফিচৰ সকলোকে নিম-

দুপ কাৰ উপৰিও গাঁওঁৰ দুই চাৰিজন মুৰব্বীয়াল মানুহক নিমন্ত্ৰণ কৰা হ'ল। নিমন্ত্ৰিত অতিথি সকলক অভ্যৰ্থনা জনাবৰ কাৰণে চাহৰ আয়োজন কৰা হ'ল। আইয়ে চাহ কৰি দিছে। এই অফিচৰে দেউতাৰ তলতীয়া কৰ্মচাৰী এজনে মানুহবোৰক চাহ দি গৈছে আৰু মই পিছে পিছে প্লেট মিঠাই দি গৈছো। দেউতাই তেতিয়া মানুহবোৰৰ লগত কথা কোৱাত ব্যস্ত। দেউতাই আমাক সকলোৰে লগত চিনাকি কৰাই দিলে। সকলোবোৰ মানুহ যোৱাৰ পিছত আমি আটাই কেইজনে এই কৰ্মচাৰীজনৰ লগতে চাহ খালোঁ। ইয়াৰ পিছত আমি ৰন্ধা-বঢ়াত লাগিলো। কিছু সময়ৰ পিছত আমাৰ ৰন্ধা কাম শেষ হ'ল। দেউতাৰ তলতীয়া কৰ্মচাৰীজনকো ভাত খাবলৈ নিমন্ত্ৰণ কৰা হ'ল। প্ৰথমে তেওঁ আপত্তি কৰিলে, কিন্তু মা আৰু মোৰ অনুৰোধত মানুহজন ভাত খাবলৈ আহিল। আইয়ে দেউতাক আৰু মানুহজনক ভাত আনি ডাইনিং ৰুমত দিলে। আইয়ে সিহঁতক ইটো সিটো সুধি সুধি দি আছে আৰু মই দুৱাৰৰ ওচৰত ৰৈ পৰ্দাৰ ফাঁকেৰে দেউতাহঁতলৈ চাই আছো। পুৱা আহিবৰ পৰাই মই এই মানুহজনলৈ লক্ষ্য কৰিছোঁ। গধূলি হৈ অহাৰ লগে লগে মোৰ মন সেইফালে আকৰ্ষণ কৰিছে। ক'ৰবাত যেন মোৰ দেখা দেখা মনত পৰে। ক'ত বাৰু দেখিলোঁ মোৰ মনত নপৰে! মনত পেলাবলৈ চেষ্টা কৰিছোঁ কিন্তু পৰা নাই। সেই দিনা তেনেকৈয়ে পাৰ হ'ল। শোওঁতে আমাৰ বহু দেৰি হ'ল।

পিছদিনা ৰাতিপুৱা মই সোনকালে শুই উঠিলোঁ। চ'তালত ইফালে সিফালে ঘূৰাৰ পিছত চাহফালৰ বাৰান্দাত থিয় দিলো। এনেতে দেখিলোঁ বাহিৰৰ সেই মানুহজনে খাকি হাফপেণ্ট আৰু চাৰ্ট পিন্ধাত ব্যস্ত। মই তেওঁৰ ফালে একেৰাহে চাই আছো। হঠাৎ আমাৰ দুয়োৰো চকুৱে চকুৱে পৰিল। মানুহজনে লাজত তলমূৰ কৰিলে আৰু মই মাত্ৰ এটি মিচিকিয়া হাঁহি মাৰিলোঁ। কিছু বেলিৰ পিছত দেখিলোঁ মানুহজনে চাইকেল এখন লৈ বাহিৰলৈ গ'ল, মোৰ বুজিবলৈ বাকী নাথাকিল যে মানুহজন কামলৈ গ'ল।

মানুহজনে দুপৰীয়া ফাগুণ মহিয়া ৰদ'ত ঘামি-জামি আহিল। ঘৰত সোমায়ে চাইকেলখন থৈ দেউতাৰ ওচৰলৈ আহিল আৰু কিবা কেচৰ কথা দুয়োজনে আলোচনা কৰিলে। দেউতাই ক'লে, 'কিবা এটা কৰিব লাগিব' মানুহজনে দেউতাৰ পৰা বিদায় লৈ যাবৰ কাৰণে দুখোজ মান দিছে মাত্ৰ এনেতে দেউতাই কি ভাবি জানো তেওঁক সুধিলে, 'তুমি এতিয়া ৰান্ধি-বাঢ়ি খাবলৈ লাগিব।' মানুহজনে উত্তৰ দিলে, 'হয়।' দেউতাই কলে 'এতিয়া ৰন্ধাবঢ়া কৰিব নালাগে যোৱা, আমাৰ ভাত-আঞ্জা হৈছে, তুমি বেগতে গাটো ধুই আহা।' মানুহজনে প্ৰথমে আপত্তি কৰিলে, কিন্তু শেষত আহিবলৈ সন্মত হ'ল। খাই বৈ উঠি দেউতাৰ লগতে দুয়োজন ড্ৰয়িং ৰুমত বহিল আৰু দেউতাই মানুহজনৰ ঘৰুৱা নানা খবৰ-বাতৰি ললে। তেওঁৰ ঘৰত কোন কোন আছে। মাক-দেউতাক আছে নে নাই, ভাই-ভনী তেওঁলোকৰ কেইজন, তেওঁ বিয়া-বাৰু কৰালে নে নাই, ইত্যাদি। মানুহজনেও একাষৰ পৰা সকলো উত্তৰ দি গৈছে। শেষত জানিলোঁ তেওঁৰ নাম অসীম দৈমাৰী। তেওঁ এতিয়াও অবিবাহিত। কথা কেইবাৰ শুনি কিয় জানো

মোৰ ইমান আনন্দ লাগিল মই নিজে নাজানো।

এইদৰে কুলসীত আমাৰ প্ৰথম বছৰটো পাৰ হৈ গ'ল। এতিয়া আমি সকলো সহজ হৈ পৰিছোঁ। এতিয়া আৰু আমাৰ কোনো ভয় বা লাজ নাই। আমি এতিয়া প্ৰত্যেকে চিনাকি। অসীম থাকে অফিচৰে এটি ঘৰত আমি থাকো আনটি ঘৰত। গধূলি সময়ত আমি নানা কথা পাতো। ইয়াৰ পিচত আহিল দ্বিতীয় বছৰটো। তেতিয়া মই দশম মানৰ ছাত্ৰী। নিতৌ নিয়মীয়া ভাবে স্কুললৈ অহা-যোৱা কৰি আছো। ওচৰত হাইস্কুল নথকাৰ কাৰণে মই লোহাৰঘাট হাইস্কুললৈ যাব লগা হৈছে। কুলসীৰ পৰা লোহাৰঘাটলৈ প্ৰায় চাৰি পাঁচ মাইলৰ বাট। মই সদায় আমাৰ দেউতাৰ জীপ গাড়ীৰে অহা যোৱা কৰি আছো। কেতিয়াবা ৰথা ড্ৰাইভাৰ জনে, কেতিয়াবা দেউতাই স্কুলৰ সন্মুখত নমাই থৈ যায় আৰু আবেলি পৰত লৈ আহে। কেতিয়াবা দেউতাৰ ক'ৰবালৈ যাবলৈ সকাম নাথাকিলে মই নিজে চলাই লৈ আহো। এই চাৰি পাঁচ মাইল ৰাস্তা অহা যোৱা কৰি বেছ ভাল লাগিছে। কাৰণ আগৰ বন্ধু-বান্ধৱক এই স্কুলৰ সময়ত লগ পাওঁ।

এদিন স্কুলৰ পৰা গাড়ীৰে ঘৰলৈ আহোঁতে বাটত হঠাতে লগ পালো সেই লৰাজনক, যিজনক মই প্ৰথমে চকুই চকুই চাইছিলোঁ, যিদিনা খাকী লংপেণ্ট চাৰ্ট পিন্ধি থাকোতে মিচিকিয়া হাঁহিৰে সম্ভাষণ জনাইছিলোঁ, যিজনক বিচাৰে মোৰ প্ৰাণে চিৰদিনৰ কাৰণে, সেইজনা পুৰুষক যাৰ নাম শ্ৰীঅসীম দৈমাৰী। সিদিনা মই নিজে গাড়ী চলাইছো। আগৰ চিটত বহুৱাই লৈ বাটে বাটে মই নানা কথা সুধি আহিছোঁ। তেতিয়া আমি দুবছৰৰ চিনাকি। কিন্তু আজিৰ দৰে অকল-শৰীয়াকৈ কথা কবলৈ লগ পোৱা নাছিলোঁ। আমি ঘৰত কথা হৈছো যদিও আমাৰ লগত থাকে মা বা দেউতা। গতিকে আমাৰ মাজত সামান্য দুই চাৰি আষাৰৰ পৰা বেছি কথা কোৱা নহয়। সেইদিনা মুক্ত ভাবে কথা কবলৈ পাই বৰ আনন্দ লাগিল। আবেলি আকৌ কুলসী নদীৰ ফালে ফুৰিবলৈ গ'লো।

এই কুলসী নদীৰ পাৰে পাৰে ফুৰি বৰ ভাল লাগে আৰু ভয়ো লাগে। দুয়োফালে নানা গছ-গছনি আদিৰে ভৰা। নানা ধৰণৰ চৰাই চিৰিকতি দেখিবলৈ পোৱা যায়। ইয়াৰ ওপৰতে কেতিয়াবা কেতিয়াবা বাঘও দেখিবলৈ পোৱা যায়। নানা কথা কৈ গৈ থাকোতে আমি পাহাৰৰ নামনিত নদীৰ পাৰত এডোখৰ ধুনীয়া ঠাই পালো আৰু আমি তাতে বহিলো। তেতিয়া সূৰ্য্যদেৱতাই দিন-মণিক বিদায় দি সন্ধ্যাৰাণীক আদৰণি জনাবলৈ অস্তাচলত বৈ আছে। গোটেই জগতত তেতিয়া সন্ধ্যাৰ হেঙুলীয়া আভাস বিয়পি পৰিছে। প্ৰকৃতিৰ সৌন্দৰ্য্য চাই তেতিয়া আমি আপোন ভাবত বিভোৰ আছো। এইদৰে আমি কিমান সময় আছো মোৰ মনত নাই, কিন্তু এসময়ত মই নীৰৱতা ভঙ্গ কৰি সুধিলোঁ— আপোনাক মই কি বুলি মাতিম? হয়তো তেওঁ মোৰ এই প্ৰশ্নৰ কাৰণে সাজু নাছিল। সেয়ে বহু সময়ৰ পিছত উত্তৰ দিলে 'তুমি যি বুলি মাতি ভাল পোৱা'। মোৰ কাৰণে সেয়ে যথেষ্ট আৰু মই তেওঁৰ ফালে একেথৰে চালো। তেওঁ মোক এটি মৃদু চুম্বন দিলে। মই আনন্দত অধীৰ হলো। মোক সম্বোধন কৰি কলে 'কল্পনা, তুমি মোক ভাল পাই বহুত ভুল

কৰিনা। কাৰণ তুমি উচ্চ বংশৰ ছোৱালী আৰু মই হলো এটি নীচ বংশৰ ল'ৰা। আমাৰ মাজত বহুত ব্যৱধান আৰু আছে এখনি বিৰাট প্ৰাচীৰ আৰু আছে এখনি ৰুদ্ধদ্বাৰ। এই ৰুদ্ধদ্বাৰ মুক্ত কৰি মিলন হোৱা আমাৰ অসম্ভৱ। আৰু তোমাৰ মা-দেউতাই তোমালোকৰ বংশত এই কলঙ্কৰ চেকা পৰিবলৈ নিদিয়ে।' মই একো কোৱা নাই, ভাবিছো সম্ভৱ হয় নে নহয়। ময়ো জানো দেউতা এই কথাত কেতিয়াও সন্মত নহয় আৰু হবলৈ নিদিয়েও। সমগ্ৰ দেশবাসী এফালে থিয় দিলেও দেউতা অকলে এফালে থিয় দিব। কি কৰিম ভাবি পোৱা নাই। তথাপি মোৰ প্ৰাণে বিচাৰে মোৰ দেৱতাক। তেওঁ হয়তো মোৰ মনৰ কথা বুজি পাইছে; সেয়ে তেওঁ মোক বহু সান্ত্বনা দিলে আৰু শেষত কলে 'কল্পনা! আমাৰ মিলনৰ মাত্ৰ এটা পথ আছে যদি তুমি সন্মত হোৱা।' মই বৰ উদ্‌বিগ্ন ভাবে সুধিলোঁ—'কি পথ?' তেওঁ একে উশাহতে কলে 'কোৰ্ট মেৰেজ।' মই চিন্তা কৰি চালো আৰু শেষত তেওঁৰ কথাত সন্মত হলো। মই তেওঁক এটি প্ৰণাম জনালো। তেওঁ মোক আকোৱালি লৈ কলে 'আমাৰ দৈহিক মিলন নহলেও আজিৰ পৰা আমাৰ আত্মাৰ মিলন হ'ল। আজিৰ পৰা তুমি মোৰ আৰু মই তোমাৰ।'

আমি দুয়ো আহি ঘৰ পালো। মই চিধাই মোৰ ৰুমলৈ গৈ সেই সাজ-কাপোৰ সলাই ঘৰত থকা সাজ পিন্ধিলোঁ। এনেতে মা আহি মোৰ ৰুমত সোমাই সুধিব ধৰিলে, 'ইমান সময় ক'ত আছিলি, কলৈ গৈছিলি, কাৰ লগত গৈছিলি' ইত্যাদি। মই মাত্ৰ হাঁহি— "পৰীক্ষাত একেলগে ইমানবোৰ পঢ়া নাহে বুলি কৈ বাথ ৰুমলৈ গলো।" মা দেউতাই হয়তো মোৰ চলন-ফুৰণত লক্ষ্য কৰিছে। ঘৰত গাভৰু ছোৱালী থাকিলে মা দেউতাকে শাসন কৰাটো স্বাভাবিক। গতিকে মোৰ মা দেউতাযো তাৰ ব্যতিক্ৰম কৰা নাছিল।

দিনবোৰ গ'ল, মাহবোৰ বাগৰিল আৰু আহিল বছৰ। প্ৰৱেশিকা পৰীক্ষা দিলোঁ, পাছ কৰিলোঁ। যিদিনা পৰীক্ষাৰ খবৰ ওলাল সেইদিনা মা আৰু দেউতাৰ আনন্দ কোনে চায়। সন্ধিয়া বন্ধু-বান্ধবৰ পৰা শলাগৰ শৰাই পালো। পিচ দিনা সকলোকে নিমন্ত্ৰণ জনাই চাহ-জলপান খুৱালো।

ইয়াৰ তিনিদিন পিচত এদিন অসীম আৰু মই গুৱাহাটী কাছাৰী ঘৰ পালো। এঘাৰটামান বজাত আদালতত আমাৰ অভিযোগ দাখিল কৰা হ'ল। হাকিমে পোনে পোনে আমাৰ দুয়োৰে নাম, বয়স, মা-দেউতাৰ নাম, থকা ঠাই সকলো সুধি ললে। এসময়ত আমাৰ সকলো কাম সমাধা হ'ল। আমি বাহিৰলৈ ওলাই আহি ব্ৰহ্মপুত্ৰৰ সোঁ মাজত থকা উমানন্দক প্ৰণাম জনালো। ইয়াৰ পিচত আহিলো কামাখ্যালৈ। আই কামাখ্যাদেৱীৰ পৰা আশীৰ্ব্বাদ লৈ স্বামী গৃহ ওৰফে শাহু-শহুৰৰ ঘৰ পালো। আজি মই য'ত আছো। অলপ সময়ৰ পিছত দেখিলোঁ মোক চাবলৈ গাওঁৰ মানুহ দলে দলে আহিছে। মই সকলোকে ওলগ জনালো। গধূলি বড়ো সমাজৰ প্ৰথা মতে আমাৰ দুয়োৰো আকৌ বিয়া পতা হ'ল অৰ্থাৎ আমি দুয়ো আঠুলৈ ৰাইজক প্ৰণাম জনালো। ৰাইজে আমাক আশীৰ্ব্বাদ আৰু স্বামী-স্ত্ৰীৰ স্বীকৃতি দিলে। সেইদিনাৰ পৰা মোৰ নাম শ্ৰীকল্পনা বৰুৱাৰ পৰা শ্ৰীমতী কল্পনা দৈমাৰী হ'ল।

ইফালে কুলসী ফৰেষ্ট বাংলাত দেউতাই মোক পুৱাৰে পৰা বিচাৰি নেপাই খগেন অগ্নি শৰ্ম্মা হৈছে। আইয়ে কান্দি কান্দি অচেতন হৈ পৰি আছে। কথা বলিলে বতাহ। দেউতাক কোনো-বাই মোক অসীমে পলুৱাই নিয়া বলি খবৰ দিলে। দেউতাই পুলিচ লৈ গোসাইভাট (মোৰ স্বামীৰ গাওঁখনৰ নাম) পালে। পুলিচে অসীমক হেণ্ডকাফ লগাই গাড়ীত উঠাই দিলে। আমাক পলাশবাৰী থানালৈ লৈ যোৱা হ'ল। পুলিচে অসীমক থানাত ৰাখি মোক দেউতাৰ লগত ঘৰলৈ যাবলৈ দিলে। কিন্তু মই অসম্মত হোৱাত আমাক দুয়োজনাক সেইদিনা ৰাতি থানাত ৰখা হ'ল। পিচদিনা ৰাতি-পুৱা ন মান বজাত গুৱাহাটী কাছাৰী ঘৰলৈ নিয়া হ'ল। আদালতত আমাৰ বিচাৰ আৰম্ভ হ'ল। প্ৰথমে হাকিমে দেউতাক কবলৈ অনুমতি দিলে 'বৰুৱা আপোনাৰ কি কি কবলগা আছে কওক'। দেউতাই 'Your honour, শ্ৰীকল্পনা দৈমাৰী মোৰ একমাত্ৰ ছোৱালী। তাইৰ নাম শ্ৰীকল্পনা বৰুৱা। আমি তাইক সৰুৰে পৰা তুলি-তালি ডাঙৰ-দীঘল কৰিলোঁ। কিন্তু যোৱা কালি অসীম দৈমাৰীয়ে তাইক পলুৱাই আনিছে; গতিকে বিচাৰাধিপতিয়ে বিচাৰ কৰি মোৰ ছোৱালীজনী ফিৰাই দিব লাগে।" দেউতাৰ কথা শেষ হোৱাত এইবাৰ মোৰ স্বামীক কবলৈ অনুমতি দিলে। তেখেতে মাত্ৰ কলে 'মোৰ কবলৈ একো নাই, কল্পনাক সোধক।' এইবাৰ হাকিমে মোৰ ফালে চাই নম্ৰভাবে কলে, 'মিচ্ বৰুৱা, তুমি এতিয়া কব পাৰা।' তেতিয়া দেউতাই মোৰ কথা শুনিবলৈ ব্যগ্ৰ হৈছে। মই মাত্ৰ আদা-লতত এইখিনিকে কলো — মহাশয়, মোক অসীম দৈমাৰীয়ে পলুৱাই অনা নাই। মই স্বইচ্ছাই তেওঁৰ লগতে গুচি আহিছোঁ আৰু যোৱা কালি আমাৰ এই আদালততে বিয়া হৈ গৈছে। হাকিমে তেতিয়া দেউতালৈ চাই কলে 'বৰুৱা, আপোনাৰ ছোৱালী এতিয়া নাবালক নহয়। তেওঁ এতিয়া সাবালক হৈছে। তদুপৰি তেওঁৰ এতিয়া বিয়াৰ উপযুক্ত সময় হৈছে। ইয়াত আপোনাৰ কোনো আপত্তি নাথাকে। এতিয়া সকলো যাব পাৰে।' আমি সকলোৰে বাহিৰলৈ ওলাই আহিলোঁ।

দেউতাই আমাতকৈ সোনকালে ওলাই আহি বাহিৰত ৰৈ আছে। আমি বাহিৰলৈ ওলাই অহাৰ লগে লগে দেউতাই কবলৈ ধৰিলে 'এয়া কল্পনা, তোমাক সৰুৰে পৰা ডাঙৰ দীঘল কৰাৰ পৰিণাম? তাতকৈ যদি তোমাক আমি সৰুতে মাৰি পেলালো হেতেন? শুনা কল্পনা! আজি তুমি নিজৰ স্বাৰ্থৰ কাৰণে যিদৰে আমাৰ মনত দুখ দিছা সেইদৰে তোমাৰ দাম্পত্য জীৱন সুখৰ নহব। আজিৰ পৰা তুমি মোৰ কোনো নোহোৱা, মনতে ভাবিম যে কল্পনা নামৰ মোৰ এজনী ছোৱালী আছিল, আজি আৰু নাই।' কথা কেই আষাৰ একে উশাহতে কৈ গাড়ীৰ ফালে খোজ ললে। মই ভৰিত ধৰি প্ৰণাম কৰিলোঁ কিন্তু দেউতাৰ তালৈ লক্ষ্য নাই। তেতিয়া মই কান্দিছোঁ, মনতে নিজকে দোষী বুলি ভাবিলোঁ। নিজৰ সুখৰ কাৰণে মা-দেউতাক দুখ দিলোঁ। আজি মই মা-দেউতাৰ মৰমৰ পৰা বঞ্চিত। চিৰ দিনৰ কাৰণে মোক মা-দেউতাই ত্যাগ কৰিলে।

আবেলি শাহু-শহুৰৰ ঘৰ পালো। দুয়োজনাকে প্ৰণাম জনালো। মূৰত ধৰি দুয়োজনাই আশীৰ্ব্বাদ দিলে। মনটো পাতল লাগিল। মনতে ভাবিলোঁ নিজৰ জন্মদায়ী পিতৃ-মাতৃৰ উপৰিও জগতত আৰু বহু পিতৃ-মাতৃ আছে; যি সকলৰ পৰা পোৱা

যাৰ অশেষ মৰম আৰু স্নেহ ; আৰু এই মৰমকে লৈ আজিও মই জীয়াই আছো ।

ইয়াৰ তিনিমাহ পিছত শুনিলোঁ দেউতাই কামৰ পৰা অৱসৰ লৈ যোৰহাটলৈ গ'ল । যাবৰ আগদিনা মোলৈ এখন চিঠি দি গৈছে 'মৰমৰ আই, আমাৰ মৰমবোৰ লবি । তোৰ ভৱিষ্যত জীৱন সুখী হওঁক । কাইলৈ আমি যোৰহাটলৈ যাম । ............ বিশেষ নাই । ইতি, তোৰ মা আৰু দেউতা' ।

ইয়াৰ কেইদিনমান পিছত মোৰ স্বামীও কলসীৰ পৰা মিৰ্জা ফৰেষ্ট অফিচলৈ আহিল । মিৰ্জা ফৰেষ্ট অফিচৰ পৰা গোসাইকাটৈল বেছি দূৰ নহয়, মাত্ৰ দুই মাইলৰ বাট । সেয়ে স্বামীয়ে বাকিৰ ভাগত অফিচত নাথাকি ঘৰলৈ আহে । এইদৰে আমাৰ সুখ দুখৰ মাজেৰে পাঁচ বছৰ অতিবাহিত হ'ল । এতিয়া মই এটি সন্তানৰ মাতৃ । এনে লাগিল যেন এই পাঁচ বছৰ আমাৰ জীৱনত মাত্ৰ পাঁচটা দিনহে । আমাৰ অন্তৰত যে কিমান আনন্দ । দুয়ো একেলগে খাওঁ, একেলগে শোওঁ একেলগে ফুৰো । কেতিয়াবা তেখেতৰ অফিচৰ পৰা অহাত দেৰি হলে মই অভিমান কৰো । তেতিয়া মোক সৰু ছোৱালী এজনীৰ দৰে কোলাত মূৰটো লৈ হাত বুলাই বুলাই বুজনি দিয়ে । আৰু যে কিমান মৰম । ভগৱানক মনে মনে প্ৰাৰ্থনা কৰিলোঁ আমাৰ এই মৰম যেন চিৰ দিন থাকে ।

এদিন ওপৰৱালাৰ পৰা আদেশ অ হিল অসীম মিৰ্জাৰ পৰা বকোলৈ যাব লাগে । সিদিনা মই একো কৰ পৰা নাই; মাত্ৰ কান্দিছোঁ । মোৰ মনে অসীমক ভালে যাবলৈ নকয় । কিন্তু তেওঁ যে যাবই লাগিব । চৰকাৰৰ দায়িত্ব পালন কৰিবই লাগিব আৰু লাগিব নিজৰ ল'ৰা-ছোৱালী পিতৃ-মাতৃক পোহ পালন দিব । অসীম গ'ল । মই প্ৰণাম জনাই বিদায় দিলোঁ । যাবৰ সময়ত মোক কলে 'থকা মেলাৰ সুবিধা হলে তোমাক সোনকালে লৈ যাম । কোনো চিন্তা নকৰিবা । খোৱা-লোৱা ঠিক মতে কৰি থাকিবা ... ইত্যাদি ।' সপ্তাহৰ তেওঁ মোলৈ দুখন—তিনিখন চিঠি দিয়ে । সেই-বোৰত আছে মোলৈ হেজাৰ মৰম, অলেখ চুমা আৰু আছে অনেক উপদেশ । এইবোৰ পঢ়ি মোৰ আলপো আমনি নেলাগে । কি যে মধুৰ এই চিঠিবোৰ । ইয়াৰ প্ৰত্যেকটি আখৰ যেন মোৰ প্ৰাণ স্বৰূপ । ইয়াৰ পৰা বকোলৈ মাত্ৰ বিশ-পচিশ মাইলৰ বাট; তথাপি সাত সাগৰ তেৰ নদীৰ সিপাৰত থকা যেন অনুমান হল । কেতিয়াবা চিঠি অহাত দেৰি হলে মনটো উচ্‌পিচ্ কৰি থাকে । এই দৰে আমাৰ এবছৰ পাৰ হল । এই এবছৰৰ ভিতৰত তেওঁ মাত্ৰ দুবাৰ হে ঘৰলৈ আহিছে । ইয়াৰ পিছত তৃতীয় বাৰ যি গ'ল তেওঁৰ আৰু ঘৰলৈ অহা নহল । চিঠি-পত্ৰ আগৰ দৰে দিবলৈ এৰিলে । ভাবিলোঁ হয়তো কামৰ হেচা বেছি হৈছে । কিন্তু এসময়ত একেবাৰে চিঠি অহা বন্ধ হল । মই চিঠি দি দি ভাগৰি পৰিলোঁ । মইয়ো শেষত চিঠি দিয়া বন্ধ কৰিলোঁ ; কিন্তু মনে যে নামানে । আকৌ চিঠি দিলোঁ । শেষত এখন চিঠি পালো; যিখন চিঠি পঢ়ি নিজকে অসহায় অনুভৱ কৰিলোঁ । নিজৰ চকু দুটাক যেন বিশ্বাস কৰিব নোৱাৰিলোঁ । যাৰ প্ৰত্যেকটি আখৰ হল মোৰ কাৰণে নিৰস । মোৰ মূৰৰ ওপৰত যেন স্বৰগ ভাঙি পৰিল । সেইদিনা আনে নেদেখাকৈ

মনে মনে কান্দিলোঁ। গোটেই দিন-ৰাতি কান্দিলোঁ : কান্দি কান্দি শেষত মই কান্দিব নজনা হলোঁ। তথাপি ধৈৰ্য্য ধৰি আছিলোঁ কিন্তু যেতিয়া জানিলোঁ মোৰ স্বামীয়ে দ্বিতীয় বিবাহ কৰাইছে তেতিয়া মোৰ ধৈৰ্য্যৰ সীমা পাৰ হ'ল। মই খাবলৈ পাহৰিলোঁ, শুবলৈ পাহাৰিলোঁ। কিমান দিন মই উজাগৰে কটালো এতিয়া মোৰ মনত নাই। মোৰ স্বাস্থ্য ভাগি যাবলৈ ধৰিলে। শাহু-শহুৰে সুধিলে একো হোৱা নাই বুলি কৈ হাঁহিবলৈ যত্ন কৰো। কিন্তু মোৰ কাৰণে সকলো মিছা।

মই এতিয়া কথাটো সহজ ভাবে লৈছো। কাৰণ মানুহৰ এজনতকৈ বেছি পত্নী থাকে। তাৰ উদাহৰণ বহুত আছে, তেওঁ দ্বিতীয় বিবাহ কৰোৱাৰ কাৰণে মোৰ কোনো আপত্তি নাই। মনতে ভাবিলোঁ দ্বিতীয় বিয়া কৰালেও তেওঁ মোৰ মৰম পাহৰিব নোৱাৰে। কিন্তু মোৰ ভবা সকলো কথা মিছা। মোৰ মৰমক তেওঁ কোনো মূল্য নিদিলে। ইয়াৰ কাৰণে মই নিজৰ ভাগ্যকে দোষ দিছোঁ। কিন্তু সহ্যৰো এটা সীমা আছে। তেজ মঙহৰ মানুহ এজন এনেকৈ কিমান দিন জীয়াই থাকিব বাৰু! হয়তো নোৱাৰে। ময়ো নোৱাৰিলোঁ। এদিন মই আপোনা আপুনি ভাগৰ পৰিলোঁ। খোৱা লোৱালৈ মোৰ অভিৰুচি নাই। খাইছোঁ নে শুইছোঁ নিজে কব নোৱাৰো। কেৱল মানুহে কোৱা শুনো মই হেনো ৰাতি নোশোওঁ; হাঁহি থাকো। কেতিয়াবা কান্দো।

এতিয়া এবছৰ পাৰ হ'ল, তেওঁ মোৰ কোনো খা-খবৰ নলয়। সোনাকণক বুকুৰ মাজত লৈ শুই থাকো; কিন্তু টোপনি নাহে। নানা চিন্তা। এয়া যেন মা দেউতাৰ অভিশাপ। পিতৃ মাতৃৰ অভিশাপ যে খণ্ডন নেযায় তাক এতিয়া মৰ্ম্মে মৰ্ম্মে অনুভব কৰিছোঁ। এয়া প্ৰেম নে অভিশাপ?

মা দেউতালৈ মোৰ ঘনাই ঘনাই মনত পৰিছে কিন্তু মা দেউতা যে এতিয়া সুদূৰ যোৰহাটত। মই আগেয়ে কৈছো মই যোৰহাটত মাত্ৰ এবছৰ হে আছো। তেতিয়া মই মাত্ৰ এবছৰীয়া শিশু। গতিকে যোৰহাটৰ কোনো স্মৃতি মোৰ মনত নাই। আৰু এতিয়া মা দেউতাৰ কোন খবৰ-বাতৰি পোৱা নাই! যাবৰ সময়ৰো মোলৈ তেওঁলোক কোনো ঠিকনা আদি দি যোৱা নাই। মা দেউতাক বিচাৰি যোৱাও অসম্ভৱ; অসম্ভৱ এই ঘৰ-বাৰী শাহু-শহুৰৰ মৰম স্নেহ এৰি যোৱা।

বহুতে মোক স্বামীৰ ওপৰত কেচ্ কৰিবলৈ কৈছে, যিহেতু আমাৰ বিয়া আদালতত হৈছে গতিকে আইন মতে তেওঁক মোক ভৰণ-পোষণ দিবই লাগিব। কিন্তু এই কথা ভবাও মহাপাপ। এই কাম মই কোনোদিনেই কৰিব নোৱাৰো। এদিন মই তেওঁক প্ৰাণ ভৰি মৰম চেনেহ কৰিছোঁ; গতিকে সেই মৰম চেনেহক মই কেতিয়াও ধ্বংস কৰিব নোৱাৰো। যেতিয়া ভুল ভাঙিব, মনলৈ অনুতাপ আহিব তেতিয়া হয়তো মোৰ ওচৰত ক্ষমা বিচাৰিব। সেয়ে মই কাৰো কথা শুনা নাই। প্ৰেম যদি সঁচা হয়; তেনেহলে সেই প্ৰেমৰ প্ৰতিদান মই এদিন নিশ্চয় পাম। কাৰণ প্ৰেম অবিনশ্বৰ; ই ধ্ৰুৱতৰাৰ দৰে চিৰ যুগমীয়া।

এইবোৰ ভাবি থাকোতে যে ৰাতি পুঁৱাই মই গমকে নেপাও। যেতিয়া পূব আকাশত অৰুণ উদয় হয়, বনৰীয়া চৰাই চিৰিকতিবোৰে কিৰিলি পাৰে তেতিয়াহে মই গম পাওঁ যে পোহৰ হ'ল! আজি কেইদিনমানৰ পৰা মোৰ একেবাৰে টোপনি নহয়

এতিয়া মই প্ৰায়ে বিগত দিনৰ কথাবোৰ ভাবি ভাবি কান্দো আৰু কেতিয়াবা হাঁহো।

হঠাতে এদিন দেখিলো আমাৰ ঘৰলৈ শহুৰে এজন ডাক্তৰ লগত লৈ আহিছে। তেতিয়াহে মোৰ চেতনা আহিল যে কাৰোবাৰ নিশ্চয় কিবা অসুখ হৈছে ; নহলে বাৰু ডাক্তৰ কিয় আহিব। কিন্তু পিচত জানিলোঁ। ডাক্তৰ মোৰ চিকিৎসাৰ কাৰণে অনা হৈছে। প্ৰথম দিনা সাধাৰণ কেইটামান কথা সুধি তেওঁ সেইদিনা গুচি গল। দ্বিতীয় দিনা আহি তেওঁ মোক কেইটামান টোপনি অহা 'পিল' খাবলৈ দিলে। এই 'পিল' খোৱাৰ পিচত মোৰ টোপনি আহে নে নাহে মোৰ একো মনত নাথাকে। শেষত তেওঁ মোক এই 'পিল' খাবলৈ মানা কৰি দিলে। পিল নোখোৱাকৈ টোপনি যাবলৈ চেষ্টা কৰিবলৈ দিলে। বহু চেষ্টা কৰিছোঁ, কিন্তু টোপনি নাহে। শেষত তেওঁ হতাশ হৈ নিজ বাটে উভতি গল।

এই মাহত অহিল আপুনি। সদায় আবেলি অহা যোৱা কৰি আছে। মোৰ লগত বহি নানা কথা পাতে। আপুনি দেশ বিদেশৰ নৰ-নাৰী আৰু ৰহস্যময় সাধু কথা সৰু ল'ৰা ছোৱালীৰ আগত কোৱাৰ দৰে মোৰ আগতো কয়। অৱশ্যে এইবোৰ শুনি ভাল লাগে। আজি দুদিন মানৰ পৰা মোৰ অতীতৰ কথা সুধি সুধি আপুনি মোক আমনি কৰিছে। কেতিয়াবা খং উঠিলে গালি দিছো, কেতিয়াবা হাঁহি উৰুৱাই দিছোঁ। আজি যাবৰ সময়ত মোক অকৌ কৈছিল 'মিছেছ দৈমাৰী টোপনি নহা সময় খিনি আপুনি বহি বহি আপোনাৰ বিগত দিনৰ কথাবোৰ লিখিবচোন। দেখিব লিখি উঠাৰ পিচত আপোনাৰ ভাল লাগিব, লগতে টোপনি আহিব।'

প্ৰথমে মই শুনি আচৰিত হৈ সুধিলো— কি কৈছে আপুনি ? মোৰ জীৱনৰ কথাবোৰ লিখিম ? কিয় ? মোৰ জীৱনত লিখিবলগীয়া কি কথা আছে ? তথাপি যাবৰ সময়ত কৈ গৈছিল, 'মানুহৰ জীৱনত বহুত লিখিবলগীয়া কথা থাকে ; কেৱল সেইবোৰ লিখিবলৈ জানিব লাগে। সেইবোৰ লিখি উঠাৰ পিচত মনটো পাতল লাগিব। দেখিব তেতিয়া দৰৱ নোখোৱাকৈ আপোনাৰ টোপনি আহিব।'

শেষত আপোনাৰ কথামতে মোৰ কথাবোৰ লিখিলোঁ। আৰু বহুত কথাই লিখিবলগীয়া আছে ; কিন্তু আজি আৰু নহয়। মোৰ বৰ ভাগৰ লাগিছে এতিয়া মাত্ৰ তিনিটাহে বাজিছে। ৰাতি পুৱাবলৈ আৰু বহুত বাকী আছে। পিচত আকৌ লিখিম বাৰু। আজি মোৰ টোপনি ধৰিছে। ডাক্তৰ! এতিয়া মই শোওঁ।"